# ECHO OF HIS CALL

ASSAMESE

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor: Sis. Bornali Thapa Raj

Vol. XXII YEAR OF OUR LORD JESUS CHRIST, JUNE 2022 No. 12


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক!

হিতোপদেশ ৪ঃ১-১০

১। হে মোৰ বোপাহত, পিতৃৰ উপদেশ শুনা আৰু সুবিবেচনা বুজিবলৈ কাণ পাতা;

২। কিয়নো মই তোমালোকক উত্তম শিক্ষা দিও। তোমালোকে মোৰ ব্যৱস্থা ত্যাগ নকৰিবা।

৩। কিয়নো মইও মোৰ পিতৃৰ পুত্ৰ আছিলো আৰু মাতৃৰ দৃষ্টিত কুমলীয়া আৰু একেটি সন্তান আছিলো।

৪। তেওঁ মোক শিক্ষা দি এই কথা ক'লে, তোমাৰ হৃদয়ে মোৰ বাক্য ধৰি ৰাখক, তুমি মোক পালন কৰি জীৱনধাৰণ কৰা।

৫। প্ৰজ্ঞা উপাৰ্জন কৰা, সুবিবেচনা আৰ্জ্জা, তাক নাপাহৰিবা আৰু মোৰ মুখৰ বাক্যৰ পৰা আঁতৰি নাযাবা।

৬। প্ৰজ্ঞাক ত্যাগ নকৰিবা, তাতে তেওঁ তোমাক ৰক্ষা কৰিব, তেওঁক প্ৰেম কৰা, তাতে তেওঁ তোমাক ৰাখিব।

৭। প্ৰজ্ঞাই মুল বস্তু, এই হেতুকে প্ৰজ্ঞা উপাৰ্জন কৰা, এনে কি তোমাৰ সকলো আয়েৰে সুবিবেচনা লাভ কৰা।

৮। তেওঁক শিৰোধাৰ্য্য কৰা, তেতিয়া তেওঁ তোমাৰ উন্নতি কৰিব, তুমি তেওঁক সাৱটি ধৰিলে তেওঁ তোমাক মান্যৰ ঠাইলৈ আনিব।

৯। তেওঁ তোমাৰ মুখত শোভা কৰোতা মালা দিব, আৰু তোমাক সুন্দৰ কিৰীটি দান কৰিব।

১০। হে মোৰ বোপা, শুনা আৰু মোৰ কথা গ্ৰহণ কৰা, তাতে তোমাৰ আয়ুসৰ বছৰ অনেক হ'ব।

## তোমালোকৰ শোক আনন্দ হৈ হ'ব!

YOUR MOURNING WILL TURN INTO JOY! (Psalm 30:11)

(গীতমালা ৩০ঃ১১)

(কেন্দ্ৰ মণ্ডলীত পালক, এচ, চাম ছেলভাৰাজে দিয়া বাৰ্তা।)

সঙ্কটৰ সময়ত আমি পৰামৰ্শ ল'বলৈ বন্ধুবৰ্গ বা চিকিৎসকৰ কাষ চাপো, তেওঁলোকে এইদৰে আমাক শান্তনা দি ক'ব পাৰে, "চিন্তা নকৰিব, সকলো ঠিক হৈ যাব। সময় অতিবাহিত হৈ যোৱাৰ লগে লগে আপোনাৰ সকলো সমস্যা শেষ হৈ যাব," ঈশ্বৰৰ বহুত সন্তানে দুখ-বেদনা আৰু তাড়নাত জীয়াই আছে। যেতিয়া আমাৰ সমস্যাবোৰ বৃদ্ধি হয়, আমি আশা হেৰুৱাই দিওঁ। যেতিয়া আমি আমাৰ জীৱনত ঈশ্বৰৰ সহায় থকাটো স্পষ্ট নহওঁ তেতিয়া আমি আৰু চিন্তিত হওঁ। উদাহৰণস্বৰূপে পৃথিৱীৰ সকলো মানুহে ক'ভিড-১৯ ৰ প্ৰভাৱত পৰি কষ্ট পাই আছিল। গতিকে সুখী আৰু আনন্দিত হোৱা। যিকোনো শোক, কষ্ট, ৰোগৰ শাস্তিয়েই বিষাদজনক। আমাৰ জীৱনত ঘটি যোৱা বেয়া পৰিস্থিতিৰ বিষয়ে আমি বিবেচনা কৰো, আমি ভাবো যে, "ঈশ্বৰৰ জ্ঞানৰ অবিহনে সেই সকলো ঘটিছেনে? ঈশ্বৰে মোৰ সমস্যাবোৰক লক্ষ্য কৰা নাইনে?" কিন্তু আমি মনত ৰাখিব লাগে যে আমাৰ জীৱনত ঘটি যোৱা যিকোনো ঘটনা ঈশ্বৰৰ অজ্ঞাতে নহয়। যেতিয়া আমি এনেধৰণৰ বিষাদজনক অভিজ্ঞতাৰ মাজেৰে যাওঁ, তেতিয়া ঈশ্বৰে আমাৰ দুখ-কষ্টক আনন্দত পৰিণত কৰে! গতিকে, আপোনাৰ বৰ্তমানৰ দুখ নিশ্চয় আনন্দত পৰিণত হ'ব! ভয় নকৰিব! "... কিন্তু তোমালোকৰ সেই শোক আনন্দ হৈ যাব" (যোহন ১৬ঃ২০)।

আমি মথি ৫ ঃ ৪ পদত পাওঁ "শোক কৰাবিলাক ধন্য, কিয়নো তেওঁবিলাকে শান্তনা পাব। আমি ভাবো যে ধন্য লোকসকলে এই পৃথিৱীত থকা সকলোধৰণৰ শান্তনা উপভোগ কৰে। কিন্তু ঈশ্বৰে কয় যে শোক কৰাবিলাক ধন্য। এইয়া আচৰিত নহয়নে? ঈশ্বৰে কয় যে শোক কৰাবিলাক ধন্য লগতে আৰু কয় যে তেওঁলোকৰ শোক আনন্দত পৰিণত হ'ব! আৰু ইয়াকো জানে যে সেই শোক আনন্দ হৈ যাব মানুহৰ বাবে এই বিষয়ৰ প্ৰতি সন্মত হ'বলৈ জটিল হয়।

মনৰ নীৰৱতা আৰু বিষাদ অৱস্থাই কোনো এজন মানুহ দুখত থকাৰ চিন হয়। নিবনুৱা, ৰোগ, ধনৰ অভাৱ, কৰ্মস্থানত থকা সমস্যা ইত্যাদিয়ে দুখ উৎপন্ন কৰে। আমাৰ যিকোনো দুখ নহওঁক কিয়, আমি যিবিলাকে এনেধৰণৰ দুখ-কষ্টৰ মাজেদি যাওঁ তেওঁবিলাকক ঈশ্বৰে কয় তেওঁবিলাকে শান্তনা পাব। সেই দুখ-কষ্টৰ পৰিস্থিতিবোৰেই আনন্দত পৰিণত হ'ব। যদিও যীচুৱে এই প্ৰতিজ্ঞা বহুত আগেয়ে কৰিছিল, তেওঁ এতিয়াও আপোনাক সেই একেই কথা কৈ আছে। যিহেতু আনন্দ কৰা আৰু উল্লাস কৰা। "আৰু ঈশ্বৰে উপযুক্ত সময়ত তোমালোকক যেন উন্নত কৰে, এই কাৰণে নিজক তেওঁৰ পৰাক্ৰমী হাতৰ অধীনত নত কৰা" (১ পিতৰ ৫ঃ৬)

যেতিয়া আমি আমাৰ দুৰ্বল আৰু দৰিদ্ৰতাৰ সময়ত ঈশ্বৰলৈ চাওঁ, ঈশ্বৰে আমাৰ সৈতে কথা কোৱা শুনিবলৈ আৰম্ভ কৰো। যিবিলাকে জীৱনত কোনো দুখ নোপোৱাকৈ থাকে তেওঁবিলাকে ঈশ্বৰৰ মাত নুশুনে। এইয়া কেৱল যেতিয়া আমি নিৰাশ অনুভৱ কৰো আৰু দুখ-কষ্টৰ অভিজ্ঞতা পাওঁ তেতিয়া আমি ঈশ্বৰৰ মাত শুনিব পাৰো আৰু তেওঁৰ স্পৰ্শক অনুভৱ কৰিব পাৰো।

৩ পৃষ্ঠাত চাওঁক

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

"তোমাৰ সীমাৰ ভিতৰত তেৱেঁই শান্তি ৰাখে;
তোমাক উত্তম ঘেঁহুৰে পৰিতৃপ্ত কৰে"
- গীতমালা ১৪৭:১৪



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


CHIEF EDITOR
Angeline Selvakumari Henry, M.A., M.Ed.

MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.

ADMINISTRATION
Bro. N. Prakasam, M.A., General Manager

EDITORIAL BOARD
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M.Phil., B.Ed.

EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

E.mail ID
sam@echoofhiscall.org
biblecor@yahoo.co.in

WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com

YOUTUBE CHANNEL
Echo of His Call


প্ৰভুত মোৰ প্ৰিয়জন,

আমি আপোনাক আমাৰ অতুলনীয় প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ নামত শুভেচ্ছা জনাইছো! আমি আমাৰ প্ৰভু ঈশ্বৰলৈ আমাৰ আৰাধনা বিলাকক আগবঢ়াইছো, কিয়নো তেওঁ এতিয়ালৈকে আমাক আচৰিতভাৱে চলাই আছে।

### তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনীসমূহ -

আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ দয়াক আমি বৰ্ণনা কৰিব নোৱাৰো, কিয়নো তেওঁ আমাক আমাৰ মাহেকীয়া আলোচনী, "তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি" ১৬ টা ভাষাত ছপা কৰিবলৈ সমৰ্থ কৰি আছে। এই পৰিচৰ্য্যাৰ বাবে প্ৰাৰ্থনা কৰি থকা আপোনালোকৰ সকলোকে প্ৰচুৰ পৰিমাণে ঈশ্বৰে আশীৰ্বাদ কৰক। বিভিন্ন ভাষা কোৱা লোকসকলে এই আলোচনীৰ দ্বাৰাই ঈশ্বৰৰ প্ৰেমৰ স্পৰ্শক লাভ কৰিছে।

### নহিমিয়া বাসগৃহ বাইবেল কলেজ (হিন্দী)

পুৰুষৰ বাবে আমাৰ বাসগৃহ বাইবেল কলেজত (হিন্দী) আৰু অধিক ছাত্ৰৰ প্ৰয়োজন হৈছে। ৬ জুন ২০২২ তাৰিখে ক্লাছ আৰম্ভ হ'ব। ছাত্ৰবৃত্তি হিচাবে যোগ্য ছাত্ৰসকলক বিনামূল্যত শিক্ষা, খোৱা আৰু থকাৰ সুবিধা প্ৰদান কৰা হ'ব। অনুগ্ৰহ কৰি এই খবৰটোক আপোনাৰ বন্ধুসকলক আৰু প্ৰাৰ্থনা অংশীদাৰ সকলক প্ৰত্যক্ষভাৱে বা পত্ৰৰ যোগেদি বা হোৱাটচ এপৰ যোগেদি জনাওক। দুবছৰীয়া ডিপ্লমা পাঠ্যক্ৰমৰ লগতে এবছৰীয়া প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ইয়াত দিয়া হয়। আমাৰ নহিমিয়া বাইবেল কলেজখন এ, টি, এ, (এচিয়া থিয়'লজীকেল এছ'চিয়েছন) ৰ দ্বাৰাই ৰেজিষ্টাৰ কেনডিডেট ফৰ মেম্বাৰশ্বিপ পোৱা মৰ্য্যদাৰ সৈতে আশীৰ্বাদপ্ৰাপ্ত হৈছে। গোটেই পৃথিৱীতে বাইবেল কলেজসমূহৰ বাবে এই সংস্থাটো এটা স্বীকৃত সংস্থা হয়।

### নহিমিয়া সন্ধ্যা বাইবেল কলেজ (তামিল)

আমাৰ সন্ধ্যা বাইবেল কলেজ (তামিল) ভালকৈ চলি আছে। এই কলেজখনো ৬ জুন ২০২২ তাৰিখে মুকলি হ'ব। ইয়াত আৰু অধিক শিক্ষিত ছাত্ৰ আৰু ছাত্ৰীৰ প্ৰয়োজন আছে। ইয়াৰ বাবেও আমি দুবছৰীয়া ডিপ্লমা পাঠ্যক্ৰমৰ লগতে এবছৰীয়া প্ৰমাণ পত্ৰ পাঠ্যক্ৰম দিও।

### নহিমিয়া বাইবেল কলেজৰ পুথিভৰাল

ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই, নহিমিয়া বাইবেল কলেজৰ পুথিভঁৰালৰ পুস্তকখিনিক কম্পিউটাৰত অলপ অলপকৈ আপলোড কৰি আছো। আমাৰ প্ৰায় ৭,০০০ খন পুস্তক আছে। এই পুস্তক সমূহ কম্পিউটাৰত ভালকৈ আপলোড কৰিবলৈ আমাৰ যথেষ্ট সময় লগাৰ লগতে যথেষ্ট খৰচো বহন কৰিবলগীয়া হয়। এই কাৰ্য্যটো আমাৰ ক্ষমতাৰ বাহিৰত গুচি গৈছে যেন লাগিছে। আমি বিশ্বাস ৰাখিছো যে ঈশ্বৰে এই কাৰ্য্যৰ বাবে আমালৈ আৰু অধিক আৰ্থিক সহায়

যোগাব। মোৰ ঈশ্বৰে আপোনালোকৰ সকলো অভাৱ, প্ৰতাপেৰে নিজ ধন অনুসাৰে খ্ৰীষ্ট যীচুত পূৰ্ণ কৰিব। (ফিলিপীয়া ৪ঃ১৯)

## নহিমিয়া বাইবেল কলেজৰ ২০২১-২০২২ ৰ শিক্ষাবৰ্ষৰ উপাধিকৰণ কাৰ্য্যসূচী

ঈশ্বৰ ইচ্ছা হ'লে আমাৰ কলেজৰ ২০২১-২০২২ ৰ উপাধিকৰণ কাৰ্য্যসূচী চেন্নাইৰ-পুৰাচাৱালকাম, বেপেৰী, বালাৰ কালভি নিলায়ামত -০৩-০৬-২০২২ (শুকুৰবাৰে) তাৰিখত সন্ধ্যা ৫ বজাত হ'ব। আমি আপোনালোকৰ প্ৰাৰ্থনা, সহায়ৰ কামনা কৰিলো। যদি এই দিনটোত চেন্নাইত থাকিব, অনুগ্ৰহ কৰি অংশ গ্ৰহণ কৰক।

## শুভবাৰ্তাৰ সৈতে উত্তৰ ভাৰতলৈ যোৱাৰ ইচ্ছা

উত্তৰ ভাৰতত বাস কৰা আৰু বিভিন্ন ভাষা কোৱা লোকসকলক শুভবাৰ্তা দিয়াৰ দ্বাৰা সহায় কৰিবলৈ বহু দিনৰে পৰা আমাৰ আন্তৰিক ইচ্ছা আৰু লক্ষ্য আছিল। নহিমিয়া হিন্দী বাইবেল কলেজলৈ অধিক ছাত্ৰ আনিবলৈ, মই প্ৰত্যক্ষভাৱে উড়িষ্যাৰ কিছুমান ঠাইলৈ যাবলৈ ইচ্ছা কৰিছো যেনে-ৰায়াগাড়া, পাৰালাখে মুণ্ডী আৰু কান্দামাললৈ। যদিও এই যাত্ৰা মোৰ বাবে কষ্টকৰ হ'ব তথাপিও মই যাব বিচাৰো। আমাৰ কেৱল এটাহে জীৱন আছে। আহক আমি এই জীৱনটোক আমাৰ প্ৰভু যীচুলৈ দিওঁহক।

## ছেইন্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুল

ছেইন্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলখন ভালদৰে চলি আছে। আমাৰ স্কুলৰ সৰু ল'ৰা-ছোৱালীবিলাকক ঘৰৰ পৰা স্কুললৈ আৰু স্কুলৰ পৰা ঘৰলৈ অনা-নিয়া কৰা মিনি বাছখন বেয়া হৈছে আৰু তাক বনাবলগীয়া হৈছে। কিন্তু এই বাছখন ব্যৱহাৰৰ অৱস্থাত নাই। আমাক এখন নতুন বাহন ক্ৰয় কৰাৰ প্ৰয়োজন হৈছে অনুগ্ৰহ কৰি নতুন বাহন কিনিবৰ বাবে প্ৰয়োজন ধনৰ বাবে প্ৰাৰ্থনা কৰক। যদি ঈশ্বৰৰ ইচ্ছা হয়, এই স্কুলখন অহা ১৩ জুনত সোমবাৰে পুনৰ মুকলি কৰা হ'ব। ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই আমাৰ স্কুলখন হাইস্কুল হিচাবে চলাবলৈ তামিলনাড়ু চৰকাৰৰ দ্বাৰাই স্বীকৃতি লাভ কৰিছে। ভাৰত চৰকাৰেও এই স্কুলখনক খ্ৰীষ্টিয়ান মাইনৰিটি ইনষ্টিটিউটৰ মৰ্য্যদা দিছে।

আমাৰ অতি গুৰুত্বপূৰ্ণ পৰিচৰ্য্যাসমূহ যেনে-ডাকযোগে বাইবেল পাঠ্যক্ৰম, শুভবাৰ্তা ছাপাশাল, মণ্ডলীসমূহ, শুভবাৰ্তা সভাসমূহ আৰু সামাজিক সেৱা সমূহৰ বাবে অনুগ্ৰহ কৰি আপোনাৰ প্ৰাৰ্থনাৰ সময়ত সোঁৱৰণ কৰক।

"তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি"ৰ পৰিচৰ্য্যাসমূহক আপুনি প্ৰেম কৰে আৰু আৰ্থিকভাৱে সহায় কৰি আছে, গতিকে ঈশ্বৰে আশীৰ্বাদ কৰক। আমি আপোনাৰ বাবে নিৰন্তৰে প্ৰাৰ্থনা কৰো। এই সকলো পৰিচৰ্য্যা সমূহ কেৱল ঈশ্বৰৰ ৰাজ্যৰ বৃদ্ধিৰ অৰ্থে কৰা হৈ আছে বুলি পবিত্ৰ আত্মাই যদি আপোনাক কৈছে, তেন্তে আমাৰ পৰিচৰ্য্যালৈ আপোনাৰ দান আৰু বৰঙনি আমালৈ পঠাওক। ঈশ্বৰে আপোনাক নিশ্চয় আশীৰ্বাদ কৰক।

ঈশ্বৰে আমাক যিদৰে কষ্ট আৰু সমস্যাবিলাকৰ পৰা উদ্ধাৰ কৰি আছে, তাৰ সাক্ষ্য আমাৰ ওচৰত বহুত আছে যাক আমি মুকলিকৈ ক'ব নোৱাৰিছো। গতিকে, একেৰাহে আমাৰ বাবে প্ৰাৰ্থনা কৰক।

**খ্ৰীষ্ট্ৰ যীচুত আপোনালোকৰ সেৱক,**

পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।

(+91) 98412 71858 / 98410 71858,

E.mail : samselvaraj333@gmail.com

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

সেয়ে, প্ৰভুৱে কৈছে, "শোক কৰাবিলাক ধন্য।" যিহেতু, আমাৰ অনুকূল পৰিস্থিতিৰ সময়ত, ঈশ্বৰৰ মাত শুনাটো অতি দুৰ্লভ। সেইগতিকে ঈশ্বৰে কৈছে, "শোক কৰাবিলাক ধন্য"।

পাঁচনি পৌলে কিবা বিষাদজনক অভিজ্ঞতা পাইছিল আৰু তেওঁ ইয়াক তেওঁৰ জীৱনৰ পৰা গুচাবলৈ প্ৰাৰ্থনা কৰিছিল। কিন্তু ঈশ্বৰে তেওঁক উত্তৰ দি ক'লে, "মোৰ যি অনুগ্ৰহ, সেয়ে তোমালৈ জুৰিব; কিয়নো দুৰ্বলতাৰ মোৰ শক্তি সিদ্ধ হয়" (২ কৰিন্থীয়া ১২ঃ৯)। পৌলে সুখী আৰু বিলাসী জীৱনৰ স্পৰ্শতা অনুভৱ বা তেওঁৰ মাত শুনিব নোৱাৰি এনে জীৱন বিচৰা নাছিল। ঈশ্বৰৰ মাত শুনিবলৈ আৰু তেওঁৰ দ্বাৰাই পৰিচালিত হ'বলৈ দুখৰ জীৱনকে বাচি ল'লে। তেওঁ এনে জীৱনক আনন্দ আৰু শান্তিৰ জীৱন বুলি গণ্য কৰিলে। তেওঁ কয়, "কোনোমতে মৃতবিলাকৰ পুনৰুত্থানৰ ভাগী হ'বৰ কাৰণে" (ফিলিপীয়া ৩ঃ১০)। মোচিৰ বিষয়ে শাস্ত্ৰই কয়, "পাছে মোচিয়ে বয়সীয়া হৈ, বিশ্বাসৰ গুণে ফৰৌণৰ জীয়েকৰ পুত্ৰ বুলি প্ৰখ্যাত হ'বলৈ অস্বীকাৰ কৰিলে, কিয়নো তেওঁ পাপৰ অলপদিনীয়া সুখ ভোগ কৰাতকৈ, ঈশ্বৰৰ লোকৰ লগত দুখভোগ কৰাকে মনোনীত কৰিলে আৰু মিচৰৰ সকলো সম্পত্তিতকৈ খ্ৰীষ্টৰ নিন্দা মহা-ধন জ্ঞান কৰিলে; কিয়নো তেওঁ পুৰস্কাৰ-দানলৈ দৃষ্টি কৰিছিল" (ইব্ৰী ১১ঃ২৪-২৬)

যেতিয়া আমি গভীৰ সঙ্কটত পৰি থাকো তেতিয়া তাৰ পৰা আমি উদ্ধাৰ পাব বিচাৰো। এনে সময়ত কিন্তু নিজৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰাৰ পৰিৱৰ্তে যদি আমি কেৱল ঈশ্বৰত আউজি থাকো, আমি নিশ্চয়ে তেওঁৰ স্পৰ্শতাক অনুভৱ কৰিব পাৰিম। গীতিকাৰ দায়ুদেও যেতিয়া তেওঁৰ চাৰিওফালে মন্দ পৰিস্থিতিৰে আবৰি পৰিছিল তেওঁ ঈশ্বৰৰ উপস্থিতিলৈ গৈ উদ্ধাৰৰ বাবে প্ৰাৰ্থনা কৰিলে। তেওঁ যেতিয়াই কিবা ভুল কৰিছিল বা নিজকে ডাঙৰ সঙ্কটৰ মাজত দেখা পাইছিল তেতিয়া তেওঁ সদায় ঈশ্বৰৰ উপস্থিতিত গৈ ক্ৰন্দন কৰিছিল। ঈশ্বৰে তেওঁক সকলো পৰিস্থিতিত সহায় কৰিছিল। তেওঁ ধন্য হ'ল, শান্তনা পালে আৰু তেওঁৰ সকলো শোক আনন্দত পৰিণত হ'ল। ঈশ্বৰৰ প্ৰিয় সন্তান, আপুনিও সঙ্কটৰ পথত গৈ আছেনে? সেইয়ে আপোনাক কয় যে যদি আপুনি আপোনাৰ পৰিয়াল, আৰ্থিক অৱস্থা, মৰ্য্যদা, পৰিচয় আৰু আপোনাৰ পৰিচৰ্য্যাতকৈ ঈশ্বৰত ভাৰসা আৰু বিশ্বাস ৰাখিব পাৰে, তেন্তে তেওঁ নিশ্চয়ে আপোনাৰ ইচ্ছাক পৰিপূৰ্ণ কৰিব। গতিকে সাৱধানেৰে তেওঁলৈ কান দি শুনক। ইয়াৰ বাবে মণ্ডলীটোৱেই আটাইতকৈ উপযুক্ত স্থান হয়। আপোনাৰ মণ্ডলী আৰু পালকক সন্মান কৰক। আপোনাৰ স্বাস্থ্যবান আশীৰ্বাদ আৰু স্বাস্থ্যবান আনন্দবোৰে আপোনাৰ মণ্ডলীত মিহলি থাকে। "আৰু কোনো কোনোৰ দস্তুৰমতে আমি খাবলৈ নেৰি, দিন যিমান ওচৰ হোৱা দেখা, সিমান অধিককৈ পৰস্পৰে উদগাওঁহক" (ইব্ৰী ১০ঃ২৫)

আপোনাৰ সমস্যাৰ পৰা ওলাই আহিবলৈ ঈশ্বৰৰ বাহিৰৰ পথ নিবিচাৰিব। এনে যিকোনো নিৰ্দেশ

পালন নকৰিব। এনে জাগতিক পথবোৰত যোৱাৰ পৰিণামে, আপোনাক ডাঙৰ বিপদ, সমস্যা আৰু ব্যৰ্থতাত পেলাব। অনুগ্ৰহ কৰি এই মাতক পবিত্ৰ আত্মাৰ মাত বুলি গণ্য কৰক আৰু সাৱধানেৰে শুনক।

## ১। দুখত মোৰ মন দ্ৰৱ হৈছে!

**"দুখত মোৰ মন দ্ৰৱ হৈছে; তোমাৰ বাক্য অনুসাৰে মোক সবল কৰা" (গীতমালা ১১৯ ঃ ২৮)।**

দায়ুদে অসংখ্য সমস্যাৰ সন্মুখীন হৈছিল — প্ৰথমে তেওঁৰ শহুৰ ৰজা চৌল, তেওঁৰ পুত্ৰ অবচালোম আৰু বহুত সময়ত মানুহ আৰু আন আন দেশবিলাকৰ ৰজাবিলাকৰ যোগেদি। কিন্তু তেওঁক আহ্বান কৰা ঈশ্বৰত তেওঁ ভাৰষা ৰখাৰ বাবে ঈশ্বৰে তেওঁৰ সকলো সঙ্কট আৰু যাতনাবোৰক আনন্দত পৰিণত কৰিলে!

আমাৰ বহুতেই তেনেধৰণৰ কষ্টকৰ পৰিস্থিতিৰে যাব লাগিব। কিছুমানৰ হৃদয় ভগ্ন হৈ আত্মহত্যা কৰিব বিচাৰে। যদি আমি মানুহৰ পৰা পৰামৰ্শ ল'বলৈ যাওঁ, তেওঁবিলাকে আমাক ঠগিব পাৰে আৰু ভুল পথত চলাব পাৰে। কিন্তু চিন্তিত হোৱা আৰু চকুলো বোৱাৰ পৰিবৰ্তে যদি আমি ঈশ্বৰলৈ ভাৰসা ৰাখো আৰু চাওঁ তেওঁ আমাক কেৱল বাচিবলৈহে পথ দেখুৱাব এনে নহয়, কিন্তু আমাক শান্তনাও দিব। কোনো ব্যক্তিয়ে তেওঁৰ শোকৰ বাবে তেওঁৰ উচ্চতাক কেতিয়াও বঢ়াব নোৱাৰে বা কমাব নোৱাৰে। ঠিক তেনেদৰে ব্যৱহাৰিকত আমি আমাৰ কষ্টৰ সময়ত চিন্তাৰ পৰা আঁতৰি থাকিব নোৱাৰো। কিয়নো ভয়ানকবিলাকৰ প্ৰশ্বাস দেৱালত লগা ধুমুহাৰ নিচিনা হোৱা সময়ত তুমি দুখীয়ালৈ দুৰ্গস্বৰূপ, দুৰৱস্থাৰ পৰা দৰিদ্ৰলৈ দুৰ্গ ধুমুহাৰ পৰা ৰক্ষা পাবলৈ আশ্ৰয়, সূৰ্যৰ তাপ নাপাবলৈ ছাঁ স্বৰূপ হৈছিলা (যিচয়া ২৫ঃ৪)

যেতিয়া আমাৰ সঙ্কটবোৰ বৃদ্ধি হয় আমি বাইবেল অধ্যয়ন কৰাত অধিক আচৰিত উদ্ধাৰ পাবৰ বাবে আমি তেওঁত বিশ্বাস কৰিব লাগে আৰু আশা কৰিব লাগে। ঠিক যেনেকৈ আমাৰ নিচিনাই দুখভোগ কৰা তেওঁৰ সন্তানবিলাকক তেওঁ উদ্ধাৰ কৰিলে। ঈশ্বৰে যেতিয়া আমাৰ জীৱনত মহান কাৰ্য কৰিব তাতকৈ আপুনি কি অধিক বিচাৰিছে। ময়েই যেতিয়া এই বাৰ্তা প্ৰচাৰ কৰিছো, মই যেতিয়া বিভিন্ন সঙ্কটৰ মাজেদি যাওঁ কেৱল তেতিয়া ঈশ্বৰতহে ভাৰসা কৰি যাওঁ। যিদিনা মই ঈশ্বৰৰ মাত শুনিছিলো মই মোৰ বাইবেলৰ কিছুমান পদত চিন দি থৈছিলো। মই বিশ্বাস কৰিব নোৱাৰা কিছুমান জয়যুক্তক লাভ কৰিছো। যদি আপুনিও তেনে কৰে জয়যুক্ত আপোনালৈ নিশ্চিত হ'ব।

## ২। দুখত চকু সোমাইছে!

**"দুখতে মোৰ চকু সোমাইছে; হে যিহোৱা মই নিতৌ তোমাৰ আগত প্ৰাৰ্থনা কৰিছো; মই তোমালৈ হাত মেলিছো" (গীতমালা ৮৮ঃ৯)**

গীতিকাৰে কয় যে দুখতে তেওঁৰ চকু সোমাইছে। যদি কোনোবা বহুত দুখত আছে, তেওঁ তেওঁৰ চকুৰ দৃষ্টিত অনুভৱ কৰিব পাৰে। দুখে এজনক মূৰ্চ্ছা যোৱাই, ভৱা শক্তিক হ্ৰাস কৰে, নিদ্ৰাহীনতাত ভোগাই আৰু ভৱিষ্যতৰ আশাক হেৰুৱাই দিয়ে আৰু যি সহায় আমি আনৰ পৰা পাওঁ তাকো হেৰুৱাই দিয়ে। ইয়াৰ পৰা ওলাই আহিবৰ বাবে আমি কি কৰিব পাৰো? নিৰাশাক স্থান নিদিবৰ বাবে আমি দুটা কাৰ্য কৰিব পাৰো ঃ

১। প্ৰাৰ্থনাত ঈশ্বৰলৈ আমি আমাৰ প্ৰকৃত অৱস্থাৰ বিষয়ে ক'ব পাৰো, "মই নিজ আচৰণ-ব্যৱহাৰ তোমাক জনালো, তুমি মোক উত্তৰ দিলা; তোমাৰ বিধিবোৰ মোক শিকোৱা" (গীতমালা ১১৯ ঃ ২৬)। ঈশ্বৰৰ সৈতে যথেষ্ঠ সময় লৈ স্পষ্টভাৱে কথা পাতিলে জয়যুক্ততা আহিব। কিন্তু আজি-কালি মানুহবিলাকে প্ৰাৰ্থনাত ঈশ্বৰলৈ অধিক সময় নিদিয়াকৈ জাগতিক বস্তুত, মনোৰঞ্জন আৰু টি, ভিত অধিক সময় খৰচ কৰে।

আজি-কালি খ্ৰীষ্টিয়ান টি. ভি. প্ৰচাৰকে বহুত আত্মিক খ্ৰীষ্টিয়ানসকলক এলেহুৱা আৰু স্থিৰ কৰি তুলিছে। তেওঁলোকে বহুত প্ৰাৰ্থনাশীল খ্ৰীষ্টিয়ানসকলক প্ৰাৰ্থনাহীন কৰি তুলিছে আৰু বহুত বাইবেল অধ্যয়ন কৰা খ্ৰীষ্টিয়ানসকলে বাইবেল অধ্যয়ন নকৰা হৈছে। আপুনি খ্ৰীষ্টিয়ান কাৰ্যসূচীবোৰ অলপ সময়ৰ বাবে উপভোগ কৰিব পাৰে আৰু টি. ভি. বন্ধ কৰি দিব। কিন্তু ই এক উজু কাম, কিন্তু কৃতকাৰ্য আৰু জয়যুক্ত হ'বলৈ ইয়ে এক উপায় নহয়। আপুনি ব্যক্তিগত, আত্মিক কাৰ্যবোৰত লিপ্ত হ'ব লাগিব। তেতিয়া আপুনি নিশ্চয় জয়যুক্ত পাব। যদি আপুনি পুৱা ৫ টা বজাৰ পৰা টি.ভিৰ কাৰ্যসূচীবোৰ চাই আপোনাৰ সময়বোৰ নষ্ট কৰে, আপুনি নিশ্চয় ব্যৰ্থতাৰ সন্মুখীন হ'ব। এই কাৰ্য্যসূচীবিলাকৰ ওপৰত অনৈতিক বিশ্বাস আৰু তথ্য বিলাকৰ বাবে অনেক সাধাৰণ লোকসকলক ঠগা হয় আৰু খেলিমেলিৰ ঘূৰ্ণী পাকত সোমাই বিপথে পৰিচালিত কৰা হয়। ভুল বাৰ্তা দিয়া প্ৰত্যেক প্ৰচাৰকৰ উদ্দেশ্যটো হৈছে পৰিত্ৰাণৰ আত্মাৰ পৰিৱৰ্তে নিজ ইচ্ছাটো পূৰ্ণ কৰা। এইটোও এটা সমসাময়িক বিপৰ্য্যৰ প্ৰমাণ। আশা কৰো আপুনি জীৱিকাৰ উদ্ধাৰ কৰিবলৈ আপোনাৰ বিশ্বাসক আগত ৰাখিব।

২। আপুনি ঈশ্বৰলৈ আপোনাৰ হাত দুখন তুলিব লাগে! ইয়াৰ অৰ্থই ইয়াকে বুজাই যে আপোনাৰ মনোযোগ আৰু ভাৰসা কেৱল ঈশ্বৰতহে আছে। আপোনাৰ সকলো চিন্তা আৰু কৰ্মই ঈশ্বৰক সন্তোষ দিব লাগে। যদি আপুনি আনক কষ্ট দিয়ে বা ঠগে তেন্তে আপুনি দীঘলীয়া প্ৰাৰ্থনা আৰু বহুত দিন ধৰি লঘোণ দিয়াৰ প্ৰয়োজন নাই। যিজনে

৬ পৃষ্ঠাত চাওঁক

নহিমিয়া বাইবেল সন্ধ্যা/আবাসিক মহাবিদ্যালয়, চেন্নাই
মাধ্যম ঃ হিন্দী/তামিল
যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল
আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA
প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া
ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া
অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
✶ ONLINE CLASSES ARE AVAILABLE ✶

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



### ২০২২ চনৰ ১৯ জুনৰ পৰা ২০২২ চনৰ ১৮ জুলাইলৈ

## প্ৰশংসাৰ বিষয়সমূহ

জুন ১৯ ঃ আমাৰ সহকাৰী সম্পাদক ভাই, মানুৱেল এম, পৌলৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক ঈশ্বৰে সকলো মন্দ শক্তিৰ পৰা ৰক্ষা কৰি আছে।

জুন ২০ ঃ যোৱা মাহত আমাৰ আশীৰ্বাদপ্ৰাপ্ত পৰিচৰ্য্যামূলক যাত্ৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

জুন ২১ ঃ আমাৰ বাবে প্ৰাৰ্থনা কৰাসকল আৰু সহায় কৰা সকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোহক।

জুন ২২ ঃ যোৱা মাহত আমাৰ তেওঁৰ আহ্বানৰ পৰিচৰ্য্যাসমূহৰ কাৰ্য্যকলাপবিলাকক ঈশ্বৰে আশীৰ্বাদ কৰিলে।

জুন ২৩ ঃ উত্তৰ ভাৰতত শুভবাৰ্তাৰ সৈতে প্ৰৱেশ কৰাত ঈশ্বৰে অনুগ্ৰহেৰে সহায় কৰিলে।

জুন ২৪ ঃ আমাৰ হিন্দী অনলাইন থিয়'লজীকেল পাঠ্যক্ৰমৰ ওপৰত ঈশ্বৰৰ প্ৰচুৰ দয়াৰ বাবে তেওঁৰ প্ৰশংসা হওক।

জুন ২৫ ঃ ঈশ্বৰে আমাৰ কেন্দ্ৰ আৰু শাখা মণ্ডলীবিলাকত ঈশ্বৰে নতুন নতুন বিশ্বাসীসকলৰ সৈতে আশীৰ্বাদ কৰিলে।

জুন ২৬ ঃ আমাৰ সকলো সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোহক।

জুন ২৭ ঃ আমাৰ মিশ্বন ফিল্ডৰ পৰা আমি ভাল ৰিৰ্পোট পাই আছো।

জুন ২৮ ঃ এতিয়ালৈকে আমাৰ অনুস্থানত আমাৰ ফলৱান প্ৰয়োগ কৰিব পৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

জুন ২৯ ঃ আমাৰ দেওবৰীয়া উপাসনা আৰু আন আন আৰাধনাসমূহৰ ওপৰত ঈশ্বৰৰ অনুগ্ৰহপূৰ্ণ দয়াৰ বাবে তেওঁক প্ৰশংসা কৰো।

জুন ৩০ ঃ আমাৰ কেন্দ্ৰ মণ্ডলীত আমাৰ মহিলা সন্মিলনক ঈশ্বৰে আশীৰ্বাদ কৰিলে।

জুলাই ০১ ঃ ১৯৬৯ চনৰ পৰা আলোচনী পৰিচৰ্য্যা লৈ আমাৰ অঙ্গীকাৰৰ ওপৰত ঈশ্বৰৰ আশীৰ্বাদ থকাৰ বাবে তেওঁক ধন্যবাদ দিওঁ।

জুলাই ০২ ঃ আমাৰ কেন্দ্ৰ মণ্ডলীত আমাৰ পুৰুষসকলৰ সন্মিলনত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

জুলাই ০৩ ঃ ১৬ টা ভাষাত আমাৰ পাব্লিকেশ্বন সমূহ আমাৰ ছাপাশালত ছপা কৰি মিশ্বন ফিল্ডলৈ পঠোৱাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

## প্ৰাৰ্থনাৰ বিষয়সমূহ

জুলাই ০৪ ঃ আমাৰ ইংৰাজী সহকাৰী সম্পাদক ভাই, মানুৱেল পৌলৰাজৰ সম্পূৰ্ণ আৰোগ্যৰ বাবে একেৰাহে প্ৰাৰ্থনা কৰোহক।

জুলাই ০৫ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বাবে ঈশ্বৰে আৰু অধিক সৰ্মপিত কৰ্মী সকলক আনিবলৈ প্ৰাৰ্থনা কৰক।

জুলাই ০৬ ঃ আমাৰ সহ-পৰিচালক আৰু পালকসকলক ঈশ্বৰে নতুন শক্তি দিব লাগে।

জুলাই ০৭ ঃ পৃথিৱীৰ সকলো আত্মিক চলাওতা সকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

জুলাই ০৮ ঃ পৃথিৱীৰ আটাই দেশসমূহৰ মানুহ বিলাকৰ ওপৰত আশীৰ্বাদ থাকিবৰ বাবে প্ৰাৰ্থনা কৰক।

জুলাই ০৯ ঃ আমাৰ জ্যেষ্ঠ পালকৰ আত্মজীৱনী লিখাৰ ওপৰত সৰ্বশক্তিমান ঈশ্বৰৰ মহৎ হাত থাকিবৰ বাবে প্ৰাৰ্থনা কৰক।

জুলাই ১০ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, চাবচক্ৰাইবিং অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰ আৰু মহান আজ্ঞা অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

জুলাই ১১ ঃ এই মাহত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাসমূহৰ বাবে আৱশ্যকীয় ধন ঈশ্বৰে যোগাবলৈ প্ৰাৰ্থনা কৰক।

জুলাই ১২ ঃ আমাৰ মিশ্বন ফিল্ডৰ কৰ্মীসকলৰ বাবে প্ৰাৰ্থনা কৰক।

জুলাই ১৩ ঃ আমাৰ পৰিচৰ্য্যামূলক সভাবিলাকত আৰু সকলো অনুস্থানমূলক কাৰ্য্যকলাপ বিলাকত ঈশ্বৰৰ ইচ্ছাৰ বাবে প্ৰাৰ্থনা কৰক।

জুলাই ১৪ ঃ আমাৰ পৰিচৰ্য্যাবিলাকৰ আৰ্থিক সহায়-বিলাকৰ বাবে প্ৰাৰ্থনা কৰক।

জুলাই ১৫ ঃ পৃথিৱীৰ সকলো দেশসমূহৰ পৰা ক'ৰণা ভাইৰাচ গুচাই দিবলৈ প্ৰাৰ্থনা কৰোহক।

জুলাই ১৬ ঃ মহিলা আৰু শিশুবিলাকৰ বিৰুদ্ধে ঘটি থকা হিংসাবোৰক গুচাই দিবলৈ প্ৰাৰ্থনা কৰক।

জুলাই ১৭ ঃ সকলো খ্ৰীষ্টিয়ান অনুস্থানবিলাকৰ বাবে প্ৰাৰ্থনা কৰক।

জুলাই ১৮ ঃ ঈশ্বৰে আমাৰ জ্যেষ্ঠ পালক, এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দ শক্তিৰ পৰা একেৰাহে ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা কৰক।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

ঈশ্বৰৰ বাক্যলৈ কাণ নিদিয়ে তেওঁৰ প্ৰাৰ্থনা অশুচি হৈ যায়। "যি মানুহে ব্যৱস্থালৈ আওকাণ কৰে, তাৰ প্ৰাৰ্থনাও ঘিণলগীয়া হয়" (হিতোপদেশ ২৮ঃ৯)। "দুষ্টবোৰৰ বলিদান যিহোৱাৰ ঘিণলগীয়া, কিন্তু সৰললিলাকৰ প্ৰাৰ্থনা তেওঁৰ গ্ৰহণীয়। দুষ্টৰ পথ যিহোৱাৰ ঘিণলগীয়া কিন্তু ধাৰ্মিকতাৰ অনুগামীক তেওঁ প্ৰেম কৰে" (হিতোপদেশ ১৫ঃ৮, ৯)।

আজি আপোনাৰ মন ক'ত আছে? আপুনি কাৰ পৰা সহায় পাবলৈ আশা কৰে? আপুনি কিদৰে বিচাৰি আছে?

## ✤ ৩। ভগ্ন মন ✤

**"আনন্দিত মতে মুখ প্ৰফুল্লিত কৰে কিন্তু মনৰ দুখত মন ভগ্ন হয়" (হিতোপদেশ ১৫ঃ১৩)। "আনন্দিত মতে শৰীৰ সুস্থ ৰাখে কিন্তু ভগ্ন মনে অস্থি শুকুৱায়" (হিতোপদেশ ১৭ঃ২২)।**

লোহা, সীহ বা এলুমিনিয়ামেৰে বনোৱা যিকোনো বস্তু ভাঙিলে ইয়াক পুনৰ জোৰা লগাব পাৰি। কিন্তু আমাৰ হৃদয়ৰ ভিতৰত থকা গুপুত মন যদি ভগ্ন হয় কোনো বিখ্যাত চিকিৎসক বা মনোবিজ্ঞানে ইয়াৰ জোৰা লগাব নোৱাৰে। অৰ্থনৈতিক খেলিমেলি, ৰোগ আৰু পাৰিবাৰিক সমস্যা এই যিবোৰ ব্যৰ্থতাৰ আমি সন্মুখীন হওঁ, এই সকলোৰ কাৰণ হৈছে ভগ্ন মন। এই ব্যৰ্থতাৰ পৰা আমি উদ্ধাৰ পাবলৈ হ'লে কেৱল মাত্ৰ এটাই পথ আছে আৰু সেয়ে হৈছে ঈশ্বৰৰ কাষ চপা। "যেতিয়া লোকবিলাকে মোক ক'লে, ব'লা, যিহোৱাৰ গৃহলৈ যাওঁহক, তেতিয়া মই আনন্দিত হ'লো" (গীতমালা ১২২ঃ১)।

যি মানুহবিলাকে প্ৰকৃততে ঈশ্বৰক আৰাধনা কৰে তেওঁলোকৰ লগত যোৱাটো ভাল। আপুনি পবিত্ৰ আত্মাৰে পূৰ্ণ হ'ব লাগিব আৰু আত্মা আৰু সত্যেৰে ঈশ্বৰক ভজনা কৰা এটি মণ্ডলীত আনন্দেৰে গীত গাই হাত তালিৰে, আনন্দেৰে গীৰ্জাত আঠু লওক য'ত আত্মাৰে আৰু ভজনাৰে ঈশ্বৰক আৰাধনা কৰা হয়। ঈশ্বৰক আৰাধনা কৰিব লাগে। তেতিয়াহে আপুনি আনন্দেৰে পূৰ্ণ হ'ব; আপোনাৰ সকলো ৰোগ গুচিব, আপোনাৰ বিৰুদ্ধে কৰা সকলো কলা যাদু শক্তিহীন হ'ব আৰু আপুনি সকলো বন্ধনৰ পৰা চিৰদিনৰ বাবে মুক্ত হ'ব।

এই ধৰণৰ অভিজ্ঞতা আমি আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ বিভিন্ন ভাষিক উপাসনাত পাওঁ। কিযে মহা আনন্দ! আমি যে কিমান সুখী হওঁ! কিযে শান্তি আমি উপভোগ কৰো! প্ৰিয় পালকসকল, আপোনাৰ মণ্ডলীৰ বিশ্বাসীসকলক এইদৰে আৰাধনা কৰাওক আৰু তেওঁলোকৰ বন্ধনৰ পৰা উদ্ধাৰ কৰিবলৈ সহায় কৰক। প্ৰিয় পঢ়ুৱৈসকল, আপোনাৰ মণ্ডলীলৈ গুৰুত্ব দিয়ক। তেতিয়া আপুনি আপোনাৰ মণ্ডলীত পূৰ্ণতাৰ দ্বাৰাই আশীৰ্বাদ পাব। "তোমালোকে প্ৰভুত সদায় আনন্দ কৰা, পুনৰায় কওঁ আনন্দ কৰা" (ফিলিপীয়া ৪ঃ৪)। মণ্ডলীহে কেৱল! মণ্ডলী এনে এটা ঠাই য'ত আশাহীন লোকবিলাকক ঈশ্বৰে আশা দিয়ে আৰু অসুখী লোকবিলাকক সুখ দিয়ে। প্ৰত্যেক দেওঁবাৰে আপোনাৰ মণ্ডলীত ঈশ্বৰক আৰাধনা কৰক। "যিবিলাকক যিহোৱাৰ গৃহত ৰোৱা হয়, সিবিলাক আমাৰ চোতাল কেইখনত প্ৰফুল্লিত হ'ব" (গীতমালা ৯২ঃ১৩)।

## ✤ ৪। ই দুখ সৃষ্টি কৰে ✤

**"মানুহৰ মনৰ দুখে মনক দেখুৱায়; কিন্তু মংগলৰ বাক্যই তেওঁক আনন্দিত কৰে" (হিতোপদেশ ১২ঃ২৫)।**

প্ৰকৃততে নিৰাশাই হৃদয়ক কোচ খুৱায়। ইয়ে হৃদয়ক স্বাভাৱিকভাৱে চলাচল কৰাত বাধা দিয়ে। যেতিয়া মানুহ নিৰাশাত থাকে তেতিয়া তেওঁলোকে স্বাভাৱিকভাৱে চিন্তা কৰাৰ ক্ষমতা হেৰুৱায় দিয়ে। কিছুমান সমস্যাৰ বাবে আমাৰ মনত পৰিৱৰ্তন ঘটিলে আমাক চৰম সিদ্ধান্ত লোৱাই কিছুমানে ঘৰৰ পৰা বাহিৰলৈ ওলাই গৈ য'ত শান্তি পায় তেনে ঠাই বিচাৰি উলিয়াই, কিছুমানে তেওঁবিলাকৰ সমস্যাত নিজেই সমাধানৰ পথ বিচাৰি উলিওৱাৰ চেষ্টা কৰে আৰু যেতিয়া ব্যৰ্থ হয় তেতিয়া চৰম সিদ্ধান্ত লয়। ক'বলৈ গ'লে এইটো গুপুত বিষয়, যিকোনো ব্যক্তিয়ে যীচুখ্ৰীষ্টৰ শিকোৱা পথবিলাকৰ মতে নিজৰ জীৱনক চলাই, তেওঁ কেতিয়াও আত্মহত্যা কৰিবলৈ চিন্তা নকৰে। এইটো এটা সত্য কথা! আচৰিত কথা!! আন-আন সকলো ধৰ্মৰ মতামতৰ ওপৰত খ্ৰীষ্টিয়ান পথটো দৃঢ় হৈ থিয় থাকে।

যদিও দায়ুদে অসংখ্য সমস্যাৰ সন্মুখীন হৈছিল, তেওঁ ঈশ্বৰত গভীৰ ভাৰষা ৰাখিছিল। "তেতিয়া দায়ুদ মহা সংকটত পৰিল ... তথাপি দায়ুদে নিজ ঈশ্বৰ যিহোৱাত নিজক সবল কৰিলে" (১ চামুৱেল ৩০ঃ৬)।

## ✤ ৫। দায়ুদৰ প্ৰতিদিনৰ অভিজ্ঞতাসমূহ! ✤

**"হে ঈশ্বৰ, মোক কৃপা কৰা; কিয়নো মানুহে মোক গ্ৰাস কৰিবলৈ বিচাৰিছে; সি ওৰে দিনটো যুদ্ধ কৰি মোক উপদ্ৰৱ কৰিছে" (গীতমালা ৫৬ঃ১)।**

তিনিটা বেলেগ বেলেগ দিশত মানসিক যান্ত্ৰনা আৰু কষ্ট আছে ঃ

১। আমাৰ চিন্তাধাৰাৰ বাবে

২। আমি আমাৰ জীৱনত ভুল সিদ্ধান্ত লোৱাৰ বাবে।

৩। যদিও আমি দোষী নহও তথাপিও আনে আমাক হিংসা কৰা আৰু তাড়না দিয়াৰ বাবে।

### মানুহলৈ ভয়

কেতিয়াবা আমি নিজৰ ওপৰত থকা ভাৰষাক হেৰুৱাই দিও আৰু মনৰ এই অৱস্থাৰ বাবে আমি শেষত বহু বিপদজনক অৱস্থাত পৰো। এনে পৰিস্থিতিৰ অধীনত পৰি দায়ুদে কয়, "মানুহে মোক গ্ৰাস কৰিবলৈ বিচাৰিছে"। ভয় আৰু সন্দেহে মানুহক নিস্ফল কৰি তোলে। ইয়াত মতামতৰ কোনো পৰিৱৰ্তন নাই।

দায়ুদে সদায় বা ভৱিষ্যতেও তেওঁক কোনোবাই ভাবুকি দিব বুলি ভয় খাই আছিল। কিয়নো তেওঁ এজন মহাৰজা আছিল। গতিকে তেওঁ যুদ্ধলৈ আতংকিত হৈ ভয় খোৱাটো স্বাভাৱিক। দায়ুদে যেতিয়া শত্ৰুবোৰৰ দ্বাৰাই ঘেৰা খাই আছিল, তেওঁ শত্ৰুবোৰৰ আক্ৰমণৰ আৰু যুদ্ধৰ ভাবুকিৰ বাবে ভয় খাইছিল তাৰোপৰি তেওঁ নিজ আত্মীয়ৰ দ্বাৰাই আপদগ্ৰস্ত হৈ ভয়ৰ আত্মাত অতিকৈ পতন হৈছিল।

"তেতিয়া মোৰ হাড়বোৰ জোকাৰ খুৱালে। যেতিয়া মোৰ আগেদি এক ছাঁ পাৰ হৈ গ'ল, তেতিয়া মোৰ গাৰ নোমবোৰ শিয়ৰি উঠিল" (ইয়োব ৪ঃ১৪, ১৫)

এটা ভয় আছে, যাক শাস্ত্ৰই প্ৰবলভাৱে নিষেধ কৰিছে। এইটো আচৰিত হোৱাৰ কাৰণ নাই যে, এনে এটা কবৰ আছে, বাইবেলত ভয় খোৱা লোকবিলাকে অগ্নিকুণ্ডত অংশ লোৱা লোকবিলাকৰ তালিকাত পৰে।

"কিন্তু যিবিলাকে ভয়াতুৰ, অবিশ্বাসী, ঘিণলগীয়া, নৰবধী, ব্যভিচাৰী, মায়াবী, মূৰ্তিপূজক আৰু সকলো মিছলীয়াসকলে জ্বলি থকা গন্ধক আৰু জুইৰ সৰোবৰত নিজ নিজ ভাগ পাবা" (প্ৰকাশিত বাক্য ২১ঃ৮)। যদি অনুপস্থিত হৈ হোৱা যায় ইয়ে আমাৰ অনন্তকালত তাণ্ডৱ চলাব পাৰে। কেৱল ঈশ্বৰৰ বাক্যত দুধৰুৱা তৰোৱালৰ সহায়ত আমি এই ভয়টোৰ দেখুৱাই দিব পাৰো আৰু আমাৰ জীৱনৰ পৰা ইয়াক গুচাব পৰা যাব।

সৰ্বপ্ৰথমে আমি সঠিকভাৱে এই ভয়টোক চিনাক্ত কৰিব লাগে। এইটো এটা অন্ধকাৰৰ আত্মা হয়। "ঈশ্বৰে আমাক ভয়ৰ আত্মা দিয়া নাই কিন্তু শক্তি, প্ৰেম আৰু সুবুদ্ধিৰ আত্মা দিলে" (২ তীমথিয় ১ঃ৭)। ইয়াৰ প্ৰকৃতটো হৈছে নৰক আৰু ঈশ্বৰৰ সৈতে ইয়াৰ লগত কোনো কাম নাই। অৱশ্যে, ইয়াৰ উপস্থিতিয়ে এজন মানুহক ঈশ্বৰৰ পৰা দূৰৈত ৰাখে। কিছুমানে এই ভয়টোক এটা মনোভাব, এটা বংশগত চৰিত্ৰ বা এটা সাধাৰণ অভ্যাস বুলি গণ্য কৰে। ভয়ক সহজভাৱে লোৱাজন আত্মিকভাৱে মুৰ্খ মানুহ আৰু তেনে নাই। এইটো এটা এটম বমৰ দৰে ফুলি উঠিব পাৰে আৰু আপোনাৰ জীৱনলৈ বিপৰ্য্যয়

আনিব পাৰে। ভয় চয়তানৰ পৰা আহে। গতিকে ইয়াক প্ৰতিৰোধ কৰক। ভয়ক সহ্য কৰাটো আজিকালি সিংহৰ পোৱালীক ডাঙৰ-দীঘল কৰাৰ দৰেহে হয়। কেতিয়াবা সি আপোনাক আঘাত বা হানি কৰিব পাৰে। এই কু-আত্মাক আপোনাৰ জীৱনৰ পৰা বিলুপ্ত কৰিবলৈ আজিয়েই সাজু হওক।

ঈশ্বৰৰ ভয়ৰ আত্মাৰ বিষয়ে ঈশ্বৰৰ বাক্যই কি কয় তাক জানি ইয়াৰ বিৰুদ্ধে এটা আক্ৰমণাত্মক পদক্ষেপ লৈ দূৰ কৰক। শত্ৰুৰ বিৰুদ্ধে এজন বিশ্বাসীৰ বাবে যীচুৰ তেজেই হৈছে এক মাৰাত্মক অস্ত্ৰ। যিমানবাৰ আপুনি ইয়াক ব্যৱহাৰ কৰিব শত্ৰুৱে তাৰ পথত বৰফৰ দৰে গোট খাই থাকি যাব। চয়তান কম্পিত হওক। আমাৰ জীৱিকাৰ এটা সাধাৰণ দিশ যীচুৰ তেজৰ দ্বাৰাই অনাবৃত হৈ নাথাকিব। এইদৰে হৈ থাকিলে দুষ্ট আত্মা আমাৰ পৰা দূৰ হৈ যাব।

"কিয়নো মই যিহক ভয় কৰোঁ, সেয়ে মোলৈ ঘটে আৰু যিহলৈ অপেক্ষা কৰোঁ সেয়ে মোলৈ আহে" (ইয়োব ৩ঃ২৫)

চয়তান যেতিয়া প্ৰকাশিত হয়, তেতিয়া সি অতি দুৰ্বল অনুভৱ কৰে, কিয়নো সি এবাৰো সি নৰকলৈ যোৱালৈকে তাৰ প্ৰকৃত ছবি দেখুওৱা নাই। আমাৰ জীৱনৰ পৰা দুষ্ট আত্মাক পেলাই দিবলৈ হ'লে, আমাৰ একমাত্ৰ যীচু খ্ৰীষ্ট তেজ আৰু দৃঢ় বিশ্বাসক ধৰি ৰাখিব লাগিব। সি এটা প্ৰতাৰক হয়, মাস্ক ঢাকি ঘূৰি ফুৰে। ২ কৰিন্থীয়া ২ঃ১১ পদত যি লিখা আছে তাৰ বাবে ঈশ্বৰক ধন্যবাদ জনাও ঃ "কিয়নো চয়তানে যেন আমাৰ ওপৰত ছল নাপায়, কাৰণ তাৰ পৰিকল্পনা আমি নজনা নহওঁ।" যেতিয়া আমি চয়তানৰ সন্মুখীন হওঁ আমি নিশ্চিতভাৱে তাৰ মন্ত্ৰণাৰ প্ৰতি জ্ঞাত হ'ব লাগে। এইটো বহুত দৰকাৰ।

## দুৱাৰ ৰখীয়া

দুৱাৰ ৰখীয়াজনৰ কাম হৈছে তেওঁৰ গৰাকীয়ে প্ৰৱেশ কৰাৰ আগেয়ে গৈ দুৱাৰ মেলি দিয়ে। ঠিক তেনেদৰে ভয়ো চয়তানৰ দুৱাৰ ৰখীয়া হয়। চয়তানে যেতিয়া ডাঙৰ কাৰ্য্য পৰিপূৰ্ণ কৰাৰ ইচ্ছা কৰে ভয় তেওঁৰ বাবে প্ৰয়োজন। চয়তানৰ যিমান দল আছে তাৰ মাজত ভয় একেবাৰে তাৰ কাযত আছে। চয়তানে ভয়ৰ আত্মাৰ পৰামৰ্শদাতা বিলাকৰ লগত যোৱাৰ আগতে সি প্ৰথমতে সিঁহতক তাৰ আটাই পৰিকল্পনাবোৰক জনাই দিয়ে। ভয়টো এটা দুষ্ট আত্মা হয়, মাটিত তাৰ শস্য সিঁচালৈকে সি ঈশ্বৰৰ প্ৰধান শত্ৰুৰ দৰে চলি থাকে। ভয়ে চয়তানৰ কাৰ্য্যকলাপবিলাকৰ বাবে পৰিৱেশ, উপস্থিতি আৰু পৰিস্থিতিৰ সৃষ্টি কৰে। ইয়োবৰ ছবিত আমি ইয়াক সত্য হিচাবে পাইছো ঃ ... মই যিহকে ভয় কৰোঁ, সেয়ে মোলৈ আহে, ঠিক যেনেকৈ বিশ্বাসে প্ৰাকৃতিক জগতৰ ৰাজত্বলৈ ঈশ্বৰৰ অদৃশ্য আশীৰ্বাদ আনে, তেনেকৈ দৃশ্যমান জগতত ভয়ে চয়তানৰ অদৃশ্য বস্তুবোৰ আনে। চয়তানে এজন ব্যক্তিৰ জীৱন ধ্বংস কৰিবলৈ ভয়ক এখন 'দলং'ৰ দৰে ব্যৱহাৰ কৰে।

চয়তানে ধাৰণাবোৰ সিঁচাৰ দ্বাৰাই তাৰ পথ ঠিক কৰি লয়। সদায় ভয় লগা ধাৰণাবোৰক প্ৰতিৰোধ অস্বীকাৰ আৰু নিবাৰণ কৰক। কেতিয়াও সেইবোৰক গ্ৰহণ নকৰিব। আপোনাৰ পবিত্ৰতাৰে পূৰ্ণ জীৱন গঠন, যীচুৰ নামৰ যোগেদি ভয়ক ত্যাগ কৰক। নিশ্চিত হওক যাতে ভয় দক্ষ নহয়। ভয়ক আগভাগ দিয়া মানে তাৰ হৈ প্ৰচাৰ কৰাক বুজায়।

## পকোৱা বাক্যবোৰ

"সিহঁতে ওৰে দিনটো মোৰ বাক্য অৰ্থান্তৰ কৰে, সিহঁতৰ সকলো সংকল্প মোৰ বিৰুদ্ধে অনিষ্টজনক" (গীতমালা ৫৬ঃ৫)।

আমাৰ বহুতলৈ বিভিন্ন দিশেৰে সমস্যাবোৰ আহে। আমি আমাৰ কৰ্মস্থানত যি কথা কোৱা নাই সেই কথাৰ বাবেও দোষাৰোপ কৰিব পাৰে। দায়ুদৰ জীৱনটো তেওঁ কোৱা বাক্যক পকোৱাই দোষাৰোপ কৰাৰ অভিজ্ঞতা পাইছিল। এয়া কেৱল এদিনীয়া নহয় প্ৰতিদিনেই এনেদৰে ঘটিছিল।

আমাৰ জীৱনত সদায় যদিও এনেধৰণৰ অকস্মাৎ পৰিস্থিতি আহে, আমি কেতিয়াও পাহৰিব নালাগে যে ঈশ্বৰে এই সকলো মন্দ বস্তুবোৰক উত্তমলৈ পৰিৱৰ্তন কৰিব পাৰে। তেওঁ সদায় আমাৰ সৈতে থাকে। আমি গীতমালা ৩৪ঃ১৯ পঢ়িবলৈ পাওঁ যে, "ধাৰ্মিক লোকৰ বিপদ অনেক, কিন্তু যিহোৱাই সেইজনক সেই সকলোৰে পৰা উদ্ধাৰ কৰে।" যেতিয়া আমি কঠিন স্থিতিলৈ যাওঁ তেতিয়া আমি এনে ভবা উচিত নহয় যে আমাৰ জীৱনৰ সকলো শেষ হৈ গ'ল। আমি বুজিব লাগে যে এজন ধাৰ্মিক ব্যক্তিয়ে বহুত পৰীক্ষাৰ সন্মুখীন হয়, কিন্তু ঈশ্বৰে তেওঁক প্ৰত্যেক পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰিব আৰু তেওঁক সুখেৰে থাকিবলৈ দিব। কিন্তু আমি ধাৰ্মিক লোক হওঁনে? যীচুখ্ৰীষ্টৰ দ্বাৰাই আমাৰ পাপবোৰৰ ক্ষমা হ'লনে? আপুনি কোনো এটা নকৰাকৈ সম্পূৰ্ণ পবিত্ৰ জীৱন লৈ চলি আছে নে? এই সকলোবিলাক বহুত দৰকাৰ আছে।

এই প্ৰাৰ্থনাৰ মতে "যিমান দিন তুমি আমাক দুখ দিলা আৰু যিমান বছৰ আমি অমংগল দেখিলো সেই অনুসাৰে আমাক আনন্দিত কৰা" (গীতমালা ৯০ঃ১৫), আমাৰ হেৰুৱা সকলো বস্তুৰ ক্ষতিপুৰণ দিবলৈ ঈশ্বৰৰ যথেষ্ট শক্তি আছে আৰু আমাক দীৰ্ঘ আয়ুস আৰু আনন্দ দি আশীৰ্বাদ কৰিব। যেতিয়া আপুনি ধাৰ্মিক হোৱাৰ বাবে আপোনাৰ জীৱনকাল বৃদ্ধি হ'ব। ভয় নকৰিব।

প্ৰতিকুলতাৰ দিনবোৰত, প্ৰতিকুলতাৰ দিনবোৰত নিশ্চয়ে মই যীচু খ্ৰীষ্টত বিশ্বাস ৰাখিম, নিশ্চয়ে মই যীচু খ্ৰীষ্টত বিশ্বাস ৰাখিম।

ভয়ৰ দিনবোৰত, ভয়ৰ দিনবোৰত।

নিশ্চয়ে মই যীচু খ্ৰীষ্টত স্নেহময় হ'ম, নিশ্চয়ে মই যীচু খ্ৰীষ্টত স্নেহময় হ'ম।

আপোনাৰ মুখৰ পৰা ওলোৱা বিশ্বাসৰ আৰু আশাপূৰ্ণ বাক্যবোৰে নিশ্চয়ে আনন্দ আনিব আৰু আপোনাৰ হৃদয়ত স্থিতিশীলতা আনিবা।

সাধাৰণতে যেতিয়া আমি ডাঙৰ সমস্যাবোৰৰ বোজাত কষ্ট পাই থাকো আৰু তেতিয়া আমি যি বাক্যবোৰ কওঁ সেয়া ভাল নহয়। যদিও আমি ভাল অভিজ্ঞ খ্ৰীষ্টিয়ান হও তেতিয়া আমি তলত দিয়া বাক্যবোৰ কওঁঃ

১। ঈশ্বৰে মোৰ প্ৰাৰ্থনা নুশুনিলে (ইয়োব ৩০ঃ২০)।

২। ঈশ্বৰে মোৰ বাবে কোনো কেৰেপ নকৰিলে (ইয়োব ৩০ঃ২০)

৩। ঈশ্বৰ মোলৈ নিৰ্দয় হৈছে (ইয়োব ৩০ঃ২১)

৪। ঈশ্বৰে মোক শত্ৰুৰ দৰে তাড়না কৰিছে (ইয়োব ৩০ঃ২১)

৫। ঈশ্বৰে মোক ওপৰত তুলিলে আৰু এতিয়া মোক তললৈ নমাইছে (ইয়োব ৩০ঃ২২)।

৬। মংগলৰ পৰিৱৰ্তে অমংগলহে ঘটিল (ইয়োব ৩০ঃ২৬)

৭। পোহৰৰ পৰিৱৰ্তে আন্ধাৰ হ'ল (ইয়োব ৩০ঃ২৬)

৮। মোৰ দৰে কোনোৱেও সমস্যাবোৰৰ অভিজ্ঞতা পোৱা নাই

৯। শোকত মোৰ জীৱন শেষ হৈছে (গীতমালা ৩১ঃ১০)

১০। মোৰ দিনবোৰ দৰিদ্ৰতালৈ গৈছে (গীতমালা ৩১ঃ১০)

আপুনিও এনেধৰণৰ পৰিস্থিতিত আছেনে? নিৰাশ নহ'ব। আপোনালৈয়ো ঈশ্বৰে আচৰিত কৰ্ম কৰিব। কিন্তু এনেধৰণৰ কিছুমান বাক্য আছে, যাক আপুনি ক'ব লাগিব ঃ

১। বিশ্বাসৰ অবিহনে কথা নক'ব। কিন্তু কেৱল বিশ্বাসৰ আৰু আশাৰ কথা ক'বা।

২। আপোনাৰ বিশ্বাসৰ বিষয়ে যদি কোনোবাই খেলিমেলি লগাই তেন্তে আঁতৰি থাকিব। কিন্তু, যিলোকবিলাকে আপোনাৰ বিশ্বাসক অনুপ্ৰাণিত কৰিব, তেনে লোকবিলাকৰ সৈতে শক্তিশালী সহভাগিতা ৰাখিব। আপোনাৰ বিশ্বাসক অনুপ্ৰাণিত কৰা যীচুখ্ৰীষ্টত সাক্ষ্যপূৰ্ণ জীৱন লৈ চলি যোৱাত আপোনাৰ যথাসাধ্য

১০ পৃষ্ঠাত চাওঁক



# গৰাহৰ পৰা ৰাজগৃহলৈ
# PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)


**“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫**

## মোৰ যৌৱনপূৰ্ণ হৃদস্পন্দন আৰু মোৰ ৰক্তসঞ্চালনটো কেৱল মোৰ সৃষ্টিকৰ্তা, যীচুৰ বাবেহে আছিল!

১৯৬৭ চনত ভনী, ইমিয়াম্মাল চান্যাচিনি আম্মাল নামৰ এগৰাকী সন্মানীয় মিশ্বনেৰী শুভবাৰ্তা প্ৰচাৰকে নেয়ুৰত এখন স্মৃতিগৃহত তিনিদিনীয়া শুভবাৰ্তা সভাৰ আয়োজন কৰিছিল। সেইখন নগৰতেই মই মোৰ শিক্ষা গ্ৰহণৰ আৰম্ভণি কৰিছিলো। তেওঁ এগৰাকী বৃদ্ধা মহিলা আছিল। মাচাৰত প্ৰাৰ্থনা সহভাগিতাৰ পৰা যেনে, ভাই, মাইকেল চেল্লাদুৰাই, ভাই, জন উইক্লিফ ভাই, জছুৱা গ্লানাদুৰাই আৰু ভাই, জন বাইলপিটচাই এই লোকসকলে আন আন ঈশ্বৰৰ দাসকলৰ লগত আহি যীচুখ্ৰীষ্টৰ বিষয়ে প্ৰচাৰ কৰিলে আৰু তেওঁলোকৰ নিজ নিজ সাক্ষ্য ক'লে। ভনী ইমিয়াম্মাল চান্যাচিনি আম্মালে মোৰ সহায় ল'লে আৰু সেই প্ৰচাৰক সকলক সেৱা কৰা কামতো লগালে। মই তেওঁলোকক পানীৰ যোগান ধৰিছিলো, তেওঁলোকৰ কাপোৰ ধুইছিলো, জোতা ধুইছিলো, তেওঁলোকৰ বাবে আহাৰৰ যোগান ধৰিছিলো আৰু তেওঁলোকৰ বাবে যিকোনো কাম কৰি দিবলৈ তেওঁলোকৰ লগত আছিলো। তেওঁলোকে নেয়ুৰত থকা ডাক্তৰ আয়্যাদুৰাইৰ এংলৰ ইণ্ডিজেনাচ ক্লিনিকৰ ওপৰ মহলাত থাকিছিল। ডাক্তৰ, ডি, আয়্যাদুৰাই, পৰিচৰ্য্যাত তেওঁৰ বহুত আগ্ৰহ আছিল আৰু তেওঁ আৰ্থিক সহায় দিয়াৰ দ্বাৰাই ঈশ্বৰৰ দাস সকলক সহায় কৰিছিল। তেওঁৰ সৰু ভায়েক ডাক্তৰ, ডি, চিমনে শিশুবিলাকৰ হস্পিতেল



*Sis. Emiyammal Sanyasini Ammal*



*Bro. John Wycliffe*



*Dr. D. Ayyadurai*



*Dr. D. Simon*



*Bro. Joshua Gnanadurai, Bro. Michael Chelladurai, Mr. John Arputharaj*

এখন চলাই আছিল। হস্পিতেলখনৰ নাম চিচু ভাইদিয়্যা আশ্ৰামাম আছিল আৰু তেৰোঁ অনেক উৎসাহ যোগাইছিল। এবাৰ তেওঁ মোলৈ চাই কৈছিল, “তোমাত কিবা এটা বিশেষ গুণ আছে।” এইদৰে তেওঁ মোক প্ৰশংসা কৰিলে।সেই সময়ত মোৰ বয়স ১৮ বছৰ আছিল।

সেই সভাবিলাকত নাচৰৎ প্ৰাৰ্থনা সহভাগিতাৰ যুৱক প্ৰচাৰকসকলে, কিদৰে যীচুখ্ৰীষ্ট তেওঁবিলাকৰ জাগতিক পাপবিলাকৰ পৰা বিশেষকৈ চিনেমা চোৱাৰ পৰা উদ্ধাৰ কৰিলে তাৰ সাক্ষ্য দাঙি ধৰিলে। তেওঁবিলাকৰ যৌৱনকালত জাগতিক লাহ-বিলাহৰ পৰা কিদৰে ৰক্ষা পালে তাৰ সাক্ষ্য দিলে। প্ৰভু-যীচু খ্ৰীষ্টত পবিত্ৰ জীৱন-যাপন কৰিলে এজনে কিদৰে আনন্দ লাভ কৰিব পাৰে তাৰ বিষয়ে তেওঁবিলাকে ব্যাখ্যা কৰি কৈছিল।

সভাৰ শেষৰ দিনা, ময়ো পাপময় জীৱন-বিলাকৰ বিষয়ে উপলব্ধি কৰিলো আৰু প্ৰভু যীচুখ্ৰীষ্টক মোৰ ব্যক্তিগত ত্ৰাণকৰ্তা বুলি গ্ৰহণ কৰিলো। মই পবিত্ৰ জীৱন-যাপন কৰিবলৈ ভাল পালো। মই বিনা চৰ্তৰ এটি সিদ্ধান্ত ল'লো যে মই এটা ব্যৱহাৰিক জীৱন চলাই যাম আৰু ঈশ্বৰৰ বাবে কিবা কাৰ্য্য কৰিম। এই অনুভৱেই মোক প্ৰভু যীচু খ্ৰীষ্টৰ পৰিচ্যাৰ ফালে চলাই নিলে। সেইদিনা, মই মোৰ পাপবোৰক ঈশ্বৰৰ আগত স্বীকাৰ কৰিলো আৰু প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টলৈ মোৰ জীৱনক সম্পূৰ্ণ ভাৱে সমৰ্পণ কৰিলো। জীৱিত ঈশ্বৰ যীচু খ্ৰীষ্টৰ যোগেদি মই পৰিত্ৰাণৰ আশীৰ্বাদক গ্ৰহণ কৰিলো। “...নতুন মন কৰাৰ দ্বাৰাই আন ৰূপ ধৰা...” (ৰোমীয়া ১২ঃ২)

সভাৰ শেষৰ সময়ত, নাচৰৎ প্ৰাৰ্থনা সহভাগিতাৰ ঈশ্বৰৰ দাসসকলৰ মনত মোৰ প্ৰতি গভীৰ প্ৰেম জন্মিল। আৰু তেওঁলোকে মোক তেওঁলোকৰ ঠাইলৈ যাবলৈ নিমন্ত্ৰণ কৰিলে। তেতিয়া মই তেওঁবিলাকৰ লগত যাবলৈ

পিতৃ-মাতৃৰ পৰা অনুমতি ল'লো। তেওঁলোকে মোক তিৰুনেলভেলী জিলাৰ নাচৰৎ নামৰ সৰু নগৰলৈ নিলে। মিশ্বনেৰী প্ৰচাৰক ভনী ইমিয়াম্মাল চন্যাচিনি আম্মালো আমাৰ লগত আছিল।

### প্ৰধান অভিজ্ঞতা ! নাচৰৎ প্ৰাৰ্থনা সহভাগিতা !

এইটো এটা তালপাত দিয়া চ'ৰা আছিল। সেই চ'ৰাটোত মাৰ্গোচিচ স্কুল আৰু কলেজৰ পৰা উচ্চ শিক্ষিত ছাত্ৰ-ছাত্ৰী, শিক্ষক-সকল, অধ্যাপকসকল আৰু আন আন লোকেএই সন্ধ্যাবেলাৰ সভাত প্ৰত্যেকদিনাই যোগদান কৰিছিল। পুৱা লঘু আহাৰ যোগোৱা হৈছিল ভাতৰ লগত 'চাম্বাৰ' তৰকাৰী দিছিল আৰু সোৱাদ লগা 'ৰশ্বম' (তৰকাৰী জোল) দুপৰীয়া আহাৰত দিছিল। নিশাৰ আহাৰত ভাতৰ সৈতে 'ৰশ্বম' দিয়া হৈছিল। মোৰ বাবে ই এক আচৰিত অভিজ্ঞতা আছিল। সেই তালপাতৰ চ'ৰাত দিনে নিশাই চলা প্ৰাৰ্থনা সভাত মই প্ৰভুৰ উপস্থিতি অনুভৱ কৰিব পাৰিছিলো। সেই ঠাইত ঈশ্বৰৰ দাসসকলে কৰা অভ্যাসবোৰ আৰু কাৰ্য্যকলাপবিলাকৰ দ্বাৰাই মই আকৰ্ষিত হৈছিলো। মই শুনিব পাইছিলো যে বিভিন্ন মহান আত্মিক আৰু মহান লোকসকল তাৰ পৰাই ওলাই আহিছিল। দিনক দিনে মোৰ মনত তেওঁলোকৰ দৰে হ'বলৈ ইচ্ছা বাঢ়ি গৈছিল।

### "থেৰি" ত মোৰ অভিজ্ঞতা ! এটা নিৰ্জন ঠাই !

প্ৰতিদিনে সকলো সদস্যসকলে সন্ধ্যা ৫ টা বজাৰ পৰা ৭ বজালৈকে "থেৰি" নামৰ এটা ঠাইত গোট খাইছিল। এইটো এটা ৰঙা মাটি থকা ঠাই আৰু ইয়াত কোনো মানুহৰ বসতি নাছিল। তাত তেওঁলোকে ব্যক্তিগত প্ৰাৰ্থনা বাইবেল অধ্যয়ন, দলীয় প্ৰাৰ্থনা, সাক্ষ্য দিয়া আৰু ইত্যাদিৰ আয়োজন কৰিছিল। তেওঁলোকে মোকো সেই প্ৰাৰ্থনাত যোগদান কৰিবলৈ অনুমতি দিছিল আৰু তেওঁলোকে মোক প্ৰাৰ্থনাশীল জীৱনৰ ৰহস্যৰ বিষয়ে শিকালে আৰু পবিত্ৰ আত্মাৰ দ্বাৰাই চালিত হোৱা জীৱন প্ৰাণালীৰ বিষয়ে শিকালে।



**Bro. John Koilpitchai**



**Bro. R. Stanley**
*(Blessing Youth Mission)*

এওঁলোকৰ কিছুমানৰ নাম এতিয়াও মোৰ মনত আছে যেনে ঃ ভাই, চাম্মা কুমাৰ, ভাই, যেকব ছেলভাৰাজ, ভাই, জম আৰপুথাৰাজ, ভাই, পাকিয়াৰাজ, ভাই, ফিলিপ জেয়াচিং, ভাই গোনা চেকৰ, ভাই, কুমাৰদাচ (থেংকাচি), ভাই, কুমাৰাদাচ (বাংলালোৰ), ভাই, ইম্মানুৱেল, ভাই, কুমাৰ, ভাই, ষ্টেনলি, ভাই, দানিয়েল, ভাই, গিদিয়োন, ভাই, মানুৱেল, ভাই, তীমতি, ভাই, মানিক্কাম, ভাই, কালেব পৌল পাণ্ডিয়ান, ভাই, যচেফ গুনাচিং, ভাই, তাইতাচ মাৰিয়া চুন্দাৰাম, ভাই, বেনি, যথি পাণ্ডিয়ান ইত্যাদি।

১৫ দিনৰ পাছত ভনী, ইমিয়াম্মাল চান্যাচিনি আম্মালে মোক মোৰ নিজ ঠাইলৈ ঘূৰাই লৈ যাবলৈ আহিছিল। ঈশ্বৰৰ দাসসকলে মোৰ বাবে চকুলোৰে প্ৰাৰ্থনা কৰিলে।



***Nazareth Prayer Fellowship - 1967***

সেই সময়ত, ভাই, মিখায়েল চেলাদুৰাই, ভাই, জন উইৰ্লিফ, ভাই, যচুৰা গ্নানাদুৰাই, ভাই, জন কইলপিটচাই আৰু আন আন জ্যেষ্ঠ ঈশ্বৰৰ দাসসকলে মোৰ মূৰত হাত দি প্ৰাৰ্থনা কৰিছিল। প্ৰাৰ্থনা কৰাৰ সময়ত তেওঁলোকৰ এজনে মই তলত উল্লেখ কৰাৰ দৰে ভৱিষ্যৎ বাণী কৈছিল ঃ



"হে পুত্ৰ চাম, ছেলভা ৰাজ। মই তোমাক মোৰ বাবে মনোনীত কৰিছো। মই তোমাৰ যোগেদি মহান কাৰ্য্যবিলাক কৰিম। তোমাৰ মতে, ঠিক বাইবেলৰ চামুৱেলৰ দৰে, মই তোমাক ভাৱবাদীৰ দৰে আৰু পৰাক্ৰমী মানুহৰ দৰে ডাঙৰ-দীঘল কৰিম। মই তোমাক এজন পিতৃলৈ পৰিৱৰ্তন কৰিম যিজনে অনেক মানুহলৈ আহাৰ যোগাব। তুমি ঈশ্বৰৰ দাস হ'বলৈ লাজ নকৰা মানুহ হ'বা আৰু তুমি প্ৰভু যীচু খ্ৰীষ্টৰ বাবে এজন সাহসী চলাওতা হ'বা। মই তোমাৰ লগত থাকিম আৰু বিচৰা সকলো বস্তুকে তোমালৈ যোগাম। পৃথিৱীৰ অনেক দেশসমূহলৈ তোমাক পঠাম আৰু তোমাৰ যোগেদি মোৰ ৰাজ্য স্থাপন কৰিম। মই তোমাক সু-স্বাস্থ্য দিম আৰু আশীৰ্বাদপ্ৰাপ্ত বছৰবোৰ দিম"। "এতিয়াও তুমি মোৰ দৃষ্টিত বহুমূল্য আৰু আদৰণীয়, মই তোমাক প্ৰেম কৰোঁ সেই বাবে মই তোমাৰ সলনি মানুহবোৰক, তোমাৰ প্ৰাণৰ সলনি লোক সমূহক দিম" (যিচয়া ৪৩ঃ৪)।

তাৰ অলপ পাছতে, ১৯৬৯ চনত, 'হেৰাল্ড অফ হিজকামিং নামৰ এটা বিখ্যাত খ্ৰীষ্টিয়ান আলোচনীত মুখ্য সম্পাদক আৰু ঈশ্বৰৰ মহান দাস আৰু নম্ৰ দাস ৰেভা, এচ, দেবাদাচানৰ অধীনত ঈশ্বৰৰ নম্ৰ দাস হ'বলৈ ঈশ্বৰে মোক পঠালে।

*(...to be continued in August 2022 issue)*

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

....Contd. from page 7

প্ৰচেষ্টাত অনুপ্ৰাণিত কৰা লোকবিলাকৰ লগত এক শক্তিশালী সহভাগিতা ৰাখিব।

৩। যদিও আপুনি কিবা ভাল ফলাফল দেখাৰ কোনো সুবিধা পোৱা নাই তেতিয়াও আপুনি তেওঁৰ আচৰিত কৰ্মৰ বাবে তেওঁত আৰু তেওঁৰ শক্তিত বিশ্বাস কৰক। তেওঁতেই আউজি থাকক। সঁচাকৈয়ে আচৰিত কৰ্মবোৰ ঘটিব।

"তোমাৰ শোক আনন্দ হৈ যাব" (গীতমালা ৩০ঃ১১)।

❖❖❖❖❖

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা  জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.


## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com


**YOU CAN SEND YOUR DONATION ONLINE ALSO**


Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 13th JUNE, 2022
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766


*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers**, New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**